**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 24-06-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
**:::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত ত্ৰিপুৰাত পথ নিৰ্মাণৰ বাবে ২১১ কোটি টকাৰ অনুমোদন জনোৱা হৈছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্‌ জয়শংকৰে আজি সন্ধিয়া দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰীয় নিৰাপত্তা সঞ্চালক উই চুং লেকক সাক্ষাৎ কৰে।

৩। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে শুকুৰবাৰে নতুন দিল্লীত নাৰ্কো কোৰডিনেছন চেণ্টাৰৰ দশম শীৰ্ষ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰিব।

৪। কলকাতাৰ তৰাটালাত নিৰ্মীয়মান এটা গুডাম ভাঙি পৰাত ৩ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫ জন আহত হয়।

*আৰু*

৫। ইউ এছ্‌ অপেন চুপাৰ থ্ৰি হাণ্ডেড বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় মহিলা ডাবলছৰ যুটীটোৱে দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা চতুৰ্থৰ অধীনত ত্ৰিপুৰাত ৯৬টা পথ নিৰ্মাণৰ বাবে ২১১ কোটিতকৈ অধিক টকাৰ অনুমোদন জনাইছে। ইয়াৰ দ্বাৰা ৰাজ্যৰ ১৬০ কিলোমিটাৰতকৈও অধিক দৈৰ্ঘ্যৰ পথ সামৰি লোৱা হৈছে। গ্ৰামোন্নয়ন মন্ত্ৰালয়ে জনোৱা মতে, অনুমোদিত প্ৰকল্পসমূহে প্ৰথমবাৰৰ বাবে ৰাজ্যৰ ৯৬টা বাসস্থানলৈ সকলো বতৰ উপযোগী পথৰ সংযোগ প্ৰদান কৰিব। মন্ত্ৰালয়ে উল্লেখ কৰে যে বৰ্ধিত সংযোগে বিদ্যালয়, স্বাস্থ্যসেৱাৰ সুবিধা আৰু গ্ৰাম্য বজাৰৰ দৰে অত্যাৱশ্যকীয় সেৱাসমূহৰ উন্নত প্ৰৱেশৰ সুবিধা প্ৰদান কৰিব, আৰু এই অঞ্চলসমূহত বাস কৰা লোকসকলৰ আৰ্থ-সামাজিক উন্নয়নত যথেষ্ট অৰিহণা যোগাব।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্‌ জয়শংকৰে আজি সন্ধিয়া দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰীয় নিৰাপত্তা সঞ্চালক উই চুং লেকক সাক্ষাৎ কৰে। তেওঁ সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে গোলকীয় উন্নয়ন আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ কৌশলগত মূল্যায়ন বিষয়ত তেঁওলোকৰ মাজত ভাবৰ আদান প্ৰদান হয়।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে শুকুৰবাৰে নতুন দিল্লীত নাৰ্কো কোৰডিনেছন চেণ্টাৰৰ দশম শীৰ্ষ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰিব। নাৰ্কটিক কণ্ট্ৰল ব্যুৰো চমুকৈ এন চি বিৰ উদ্যোগত অনুষ্ঠিত হোৱা বৈঠকত কেন্দ্ৰীয় মন্ত্ৰালয়, ৰাজ্য চৰকাৰ আৰু ড্ৰাগছ আইন বলবৎকাৰী সংস্থাসমূহৰ প্ৰতিনিধিসকলক একত্ৰিত কৰি সমগ্ৰ দেশত ড্ৰাগছ্‌ সৰবৰাহ আৰু সেৱনৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে পৰ্যালোচনা কৰা হ'ব বুলি গৃহমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শ্ৰীশ্বাহে অংশীদাৰসকলৰ সৈতে মিলিত হৈ নাৰ্কটিক্স কণ্ট্ৰলৰ ২০২৬ বৰ্ষৰ পৰা ২০২৯ লৈ ভৱিষ্যত পৰিকল্পনা নথি নিৰ্ধাৰণ কৰিব। শ্ৰীশ্বাহে লগতে কয় যে এই নথিখনৰ জৰিয়তে ড্ৰাগছৰ সৰবৰাহ হ্ৰাস কৰা আৰু ইয়াৰ পৰা হব পৰা সম্ভাব্য বিপদৰ মোকাবিলা কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰিও গৃহমন্ত্ৰীগৰাকীয়ে এন চি বিৰ বাৰ্ষিক প্ৰতিবেদন ২০২৫ প্ৰকাশ কৰাৰ লগতে জম্মু

আৰু গুৱাহাটীত নতুনকৈ দুটা মাণ্ডলিক কাৰ্যালয় মুকলি কৰিব। মন্ত্ৰালয়ে কয় যে এই বৈঠকৰ মূল লক্ষ্য হৈছে ড্ৰাগছৰ বিৰুদ্ধে চৰকাৰৰ শূন্য সহনশীলতাৰ নীতিক শক্তিশালী কৰা আৰু ড্ৰাগছমুক্ত ভাৰতৰ দৃষ্টিভংগী আৰু লক্ষ্যত উপনীত হোৱা।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি নতুন দিল্লীত, ভাৰতৰ V.I.P. সংস্কৃতি: ক্ষমতা, বিশেষাধিকাৰ আৰু গণতন্ত্ৰৰ পৰা দূৰত্ব শীৰ্ষক এখনি গ্ৰন্থ উন্মোচন কৰে। উন্মোচনী সভাত ভাষণ দি ৰাধাকৃষ্ণনে কয় যে এই গ্ৰন্থখনত ক্ষমতাৰ প্ৰতিষ্ঠান আৰু সাধাৰণ নাগৰিকৰ মাজত প্ৰায়ে থকা দূৰত্বৰ বিষয়ে উল্লেখ আছে আৰু জনকেন্দ্ৰিক শাসনৰ জৰিয়তে এই ব্যৱধান দূৰ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰা হৈছে। তেওঁ কয় যে এই প্ৰকাশনে বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰ হিচাপে ভাৰতৰ পৰিচয়ক উজ্জ্বল কৰি তুলিছে, একে সময়তে ন্যায়, সমতা আৰু স্বাধীনতাৰ সাংবিধানিক আদৰ্শক পুনৰ দৃঢ় কৰিছে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে যে সমসাময়িক গণতান্ত্ৰিক প্ৰত্যাহ্বানসমূহক দেশৰ চিৰস্থায়ী গণতান্ত্ৰিক পৰম্পৰাৰ সৈতে সংযোগ কৰি গ্ৰন্থখনে পাঠকসকলক ঐতিহাসিক দৃষ্টিভংগী আৰু নৈতিক অন্তৰ্দৃষ্টি প্ৰদান কৰিব। গণতান্ত্ৰিক মূল্যবোধক শক্তিশালী কৰাৰ লগতে শাসন ব্যৱস্থা যাতে জনসাধাৰণৰ সৈতে ঘনিষ্ঠভাৱে সংযুক্ত হৈ থাকে তাৰ বাবে এনে প্ৰতিফলন গুৰুত্বপূৰ্ণ বুলিও তেওঁ লগতে উল্লেখ কৰে।

০০০০০

আমেৰিকাৰ বাণিজ্যিক প্ৰতিনিধি ৰাষ্ট্ৰদূত জেমিচন গ্ৰীৰে ২২ তাৰিখৰ পৰা ২৪ তাৰিখৰ ভিতৰত আমেৰিকাৰ চৰকাৰী প্ৰতিনিধিৰ দল এটাক নেতৃত্ব প্ৰদান কৰি নতুন দিল্লী ভ্ৰমণ কৰে। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱালে কয়, যে এই ভ্ৰমণে ভাৰত আৰু আমেৰিকাক পাৰস্পৰিকভাৱে লাভান্বিত কৰিব। উল্লেখযোগ্য যে দ্বিপাক্ষিক বাণিজ্য চুক্তি আৰু চলিত বৰ্ষৰ ৭ ফেব্ৰুৱাৰীত গ্ৰহণ কৰা যৌথ বিবৃতিক দুয়োখন দেশে অন্তৰ্বতীকালীন চুক্তি চূড়ান্তভাৱে গ্ৰহণ কৰা হয়। মন্ত্ৰালয়ে উল্লেখ কৰে যে ৰাষ্ট্ৰদূত জেমিচন গ্ৰীৰে বজাৰৰ পৰিসৰ বৃদ্ধি, ডিজিটেল বাণিজ্য, যোগান শৃংখলাৰ স্থিতিস্থাপকতা, শুল্কবিহীন আসোৱাহৰ দূৰীকৰণ, কৌশলগত খণ্ডত সহযোগিতা বৃদ্ধিকে ধৰি বিভিন্ন বিষয়ৰ আলোচনাত মিলিত হয়। মন্ত্ৰালয়ে লগত উল্লেখ কৰে যে দুয়োপক্ষই সুষম, বাণিজ্যিকভাৱে অৰ্থপূৰ্ণ আৰু দুয়োখন দেশৰ ব্যৱসায়ী, কৃষক, শ্ৰমিক আৰু গ্ৰাহকসকলৰ বাবে সুবিধাসমূহ বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিকশিত বিশ্ব বাণিজ্যিক গতিশীলতাৰ মাজত ভাৰত-আমেৰিকা অৰ্থনৈতিক অংশীদাৰিত্বৰ ক্ৰমবৰ্ধমান তাৎপৰ্যক স্বীকাৰ কৰি দুয়োপক্ষই দ্বিপাক্ষিক বাণিজ্যৰ সম্প্ৰসাৰণ, নতুন উদ্ভাৱনী কৌশলৰ বিকাশ, স্থিতিস্থাপক আৰু বিশ্বাসযোগ্য যোগান শৃংখলা গঢ়ি তোলাৰ ওপৰত দুয়োপক্ষই নিজৰ বক্তব্য প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেল আৰু আমেৰিকাৰ বাণিজ্য প্ৰতিনিধি ৰাষ্ট্ৰদূত জেমিচন গ্ৰীৰ আৰু তেওঁৰ প্ৰতিনিধি দলৰ সৈতে চলি থকা ধাৰাবাহিক বৈঠকৰ আজি সামৰণি পৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীগোৱেলে কয় যে ভাৰত আৰু আমেৰিকাৰ মাজত বাণিজ্যিক অগ্ৰগতিৰ পৰ্যালোচনা কৰে। দুয়ো দেশৰ বাণিজ্যিক আৰু অৰ্থনৈতিক সহযোগিতা আগবঢ়াই নিয়াৰ বাবে দুয়ো দেশৰ প্ৰতিনিধিসকলৰ শলাগ লয়।

০০০০০

বৈদেশিক মন্ত্ৰালয়ে জনাই যে, ২০২৫ বৰ্ষত আঞ্চলিক পাছপোৰ্ট কাৰ্যালয়, পাছপোৰ্ট সেৱা কেন্দ্ৰ আৰু বিদেশত থকা ভাৰতীয় দূতাবাসৰ জৰিয়তে ১ কোটি ৫০ লাখ পাছপোৰ্ট ভাৰতীয় নাগৰিকসকলৰ বাবে মুকলি কৰিছে। মন্ত্ৰালয়ে লগতে জনাই যে, পাছপোৰ্ট কাৰ্যালয় আৰু পাছপোৰ্ট সেৱা কেন্দ্ৰৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে আৰু বৰ্তমান সমগ্ৰ দেশতে ৫৪৫ টা এনে কেন্দ্ৰ আছে। বিগত বৰ্ষত ১০ টা আৰু এই বৰ্ষত পুনৰ ১০ টা ডাকঘৰৰ পাছপোৰ্ট সেৱা কেন্দ্ৰ মুকলি কৰা হ'ব। মন্ত্ৰালয়ে লগতে উল্লেখ কৰে যে এতিয়ালৈকে ১ কোটি ৪৭ লাখ ই-পাছপোৰ্ট মুকলি কৰা হৈছে। পাছপোৰ্ট কাৰ্যালয় আৰু

সেৱা কেন্দ্ৰসমূহৰ আন্তঃগাথনি আৰু সেৱাৰ মানদণ্ড পূৰ্বতকৈ উন্নীত কৰা হৈছে। ভাৰতীয় জনসংখ্যাৰ মাত্ৰ ১০ শতাংশ নাগৰিকৰহে পাছপোৰ্ট থকাৰ পৰিপ্ৰেক্ষিতত পাছপোৰ্ট সেৱা অধিক সুলভ আৰু সহজ কৰি তোলাৰ বাবে সকলো প্ৰচেষ্টা হাতত লোৱা হৈছে।

বৰ্তমান ২৭ খন ৰাষ্ট্ৰই ভিছা অবিহনে ভাৰতলৈ ভ্ৰমণ কৰাৰ অনুমতি লাভ কৰিছে আৰু ৪৭ খন দেশে ভিছা অন এৰাইভেলৰ সুবিধা লাভ কৰিছে। তদুপৰি মুঠ ৬৫ খন ৰাষ্ট্ৰই ভাৰতীয় নাগৰিকক ই ভিছাৰ সুবিধা প্ৰদান কৰে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ৰাণী দুৰ্গাৱতীৰ স্মৃতি দিৱস উপলক্ষে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে ৰাণী দুৰ্গাৱতীক সাৰ্বভৌমত্ব আৰু সাংস্কৃতিক ঐতিহ্য আক্ৰমণকাৰীৰ বিৰুদ্ধে বীৰত্বপূৰ্ণ সংগ্ৰামত প্ৰাণ আহুতি দিয়া এগৰাকী বীৰ ৰাণী আৰু নাৰী শক্তিৰ প্ৰতীক বুলি অভিহিত কৰে। শ্ৰী শ্বাহে লগতে কয়, যে ৰাণী দুৰ্গাৱতী সুশাসন আৰু সেৱাৰ বাবে এক চিৰন্তন প্ৰেৰণা।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয় যে ৰাণী দুৰ্গাৱতীয়ে মাতৃভূমি আৰু সংস্কৃতিৰ প্ৰতি অতুলনীয় সাহস আৰু বীৰত্ব প্ৰদৰ্শন কৰিছিল। তেওঁ উল্লেখ কৰে যে ৰাণী দুৰ্গাৱতীৰ পৰম ত্যাগ, বীৰত্ব আৰু সাহসিকতাই নব প্ৰজন্মক দেশপ্ৰেমৰ প্ৰতি অনুপ্ৰাণিত কৰি যাব।

ooooo

আজি কলকাতাৰ তৰাটালাত নিৰ্মীয়মান এটা গুডাম ভাঙি পৰাত ৩ জন লোকৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে আৰু ৫ জন আহত ব্যক্তি এছ এছ কে এম চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। এন ডি আৰ এফ, আৰক্ষী, অগ্নিনিৰ্বাপক বাহিনী আৰু জৰুৰীকালীন সেৱা আৰু স্থানীয় লোকৰ সহযোগত দুৰ্ঘটনাস্থলীত উদ্ধাৰ অভিযান অব্যাহত আছে। নগৰ উন্নয়ন আৰু পৌৰ পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী অগ্নিমিত্ৰ পাল আৰু ডাঃ ইন্দ্ৰনীল খাঁ ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। দুৰ্ঘটনাত ক্ষতিগ্ৰস্ত লোকসকলক সহায় কৰিবলৈ হেল্পলাইন নম্বৰ মুকলি কৰা হৈছে।

ooooo

ভাৰতীয় মহিলা ডাবলছৰ যুটী ত্ৰিজা জলী আৰু গায়ত্ৰী গোপীচান্দে ইউ এছ অপেন চুপাৰ থ্ৰি হাণ্ডেড বেডমিণ্টন প্ৰতিযোগিতাত দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। ভাৰতীয় যুটীটোৱে স্পেইনৰ পলা লপেজ আৰু লুচিয়া ৰদ্ৰিগেজক ২১-১২, ১৪-২১ আৰু ২১-১৩ ছেটত পৰাজিত কৰে। পৰৱৰ্তী খেলখন জাপানৰ চুমিৰে নাকাদে আৰু মিউ টাকাহাচিৰ বিৰুদ্ধে খেলিব।

পুৰুষৰ ছিংগলছত ৰৌনাক চৌহানে-ফ্ৰান্সৰ এনোগাট আৰু চীনৰ টাইপেয়ী কো কুৱান লীনক পৰাস্ত কৰি নিজৰ স্থান সুনিশ্চিত কৰে। চৌহান এতিয়া ভাৰতীয় খেলুৱৈ এছ শংকৰ মথুস্বামী সুব্ৰমনিয়ামৰ মুখামুখি হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ